# জাননী

অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ অধীনত বিভিন্ন জিলা আৰু মহকুমাত অৱস্থিত "হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ" সমূহত এবছৰীয়া বয়ন প্ৰশিক্ষণ লবলৈ অৰ্হতা সম্পন্ন অবিবাহিত যুৱক-যুৱতী বা বিধবা মহিলাৰ পৰা ২০২২-২৩ বৰ্ষৰ পাঠ্যক্ৰমৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে । আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ভাৰতীয় নাগৰিক হ'ব লাগিব ।

| | | |
|---|---|---|
| ১) **শিক্ষাগত অৰ্হতা** | - | প্ৰাৰ্থীজন অতি কমেও অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব । |
| ২) বিষয় | - | ইংৰাজী ০১/০১/২০২২ তাৰিখে বয়স ১৫ বছৰৰ কম আৰু ২৫ বছৰৰ বেছি হব নালাগিব । অনুসুচিত জাতি/ অনুসুচিত জনজাতি, ভৈয়াম জনজাতি বসতিপূৰ্ণ অঞ্চল সমূহত অৱস্থিত প্ৰশিক্ষণ কেন্দ্ৰ বোৰত সেহ গোষ্টীৰ প্ৰাৰ্থী সকলে অগ্ৰাধিকাৰ পাব । |

প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰতিজন প্ৰাৰ্থীয়ে মাহিলি ৮০.০০ (আশী) টকা হাৰত জলপানী পাব । উক্ত জলপানী প্ৰশিক্ষাৰ্থীৰ ভাল স্বভাৱ চৰিত্ৰ, উপস্থিতিৰ গড় আদি গুনাগুনৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হব ।

বাছনি কৰা প্ৰাৰ্থীসকলে প্ৰশিক্ষণ আৰম্ভ হোৱাৰ ১০ (দহ) দিনৰ ভিতৰত নাম ভৰ্তি কৰিব লাগিব । প্ৰশিক্ষণৰ অন্তত প্ৰাৰ্থী সকলে আত্মনিযুক্তিৰ ব্যৱস্থা নিজেই কৰিব লাগিব ।

প্ৰশিক্ষণ কেন্দ্ৰৰ ভৰ্তি হোৱা প্ৰাৰ্থী সকলে থকা খোৱাৰ ব্যৱস্থা নিজেই কৰি লব লাগিব। অৱশ্যে কেইটামান প্ৰশিক্ষণ কেন্দ্ৰত সীমিত সংখ্যাক ছাত্ৰী নিবাসৰ ব্যৱস্থা আছে যদিও ছাত্ৰবাসৰ ব্যৱস্থা এতিয়ালৈ হোৱা নাই ।

উক্ত প্ৰশিক্ষণত ভৰ্তি হব খোজা প্ৰাৰ্থী সকলে বিভাগীয় Website ৰ লগতে নিজ নিজ অঞ্চলত অৱস্থিত হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষকৰ পৰা আবেদন পত্ৰ লৈ প্ৰমাণ পত্ৰ সহ ভৰ্তি হ'ব খোজা প্ৰশিক্ষণ কেন্দ্ৰৰ কাৰ্যালয়ত অহা ইং ৩১/০১/২০২২ তাৰিখৰ ভিতৰত জমা দিব লাগিব । উক্ত তাৰিখৰ পিছত কোনো আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব ।

কোনো আবেদন পত্ৰ সঞ্চালকৰ কাৰ্যালয়, সহকাৰী সঞ্চালক অথবা অধীক্ষকৰ কাৰ্যালয়ত জমা লোৱা নহয় ।

প্ৰাৰ্থী সকলে সংশ্লিষ্ট হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ "প্ৰাৰ্থী নিৰ্ব্বাচন কমিটিয়ে" নিৰ্দ্ধাৰণ কৰা সাক্ষাৎকাৰত উপস্থিত থাকিব লাগিব । ইয়াৰ বাবদ কোনো ভ্ৰমণ বানচ দিয়া নহ'ব ।

বিতং তথ্য জানিবৰ বাবে প্ৰতি জিলা আৰু মহকুমা সদৰত অৱস্থিত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালক/ অধীক্ষকৰ কাৰ্য্যালয়ত নাইবা হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ সমূহত প্ৰাৰ্থীসকলে যোগাযোগ কৰিব পাৰে ।

সঞ্চালক,
হস্ততাঁত আৰু বস্ত্ৰশিল্প,অসম,
আমবাৰী, গুৱাহাটী - ১

# সংক্ষিপ্ত জাননী

অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ অন্তৰ্গত বিভিন্ন জিলা আৰু মহকুমাত অৱস্থিত ১০২ টা হস্তঁতাত প্ৰশিক্ষণ কেন্দ্ৰৰ নিৰ্দ্ধাৰিত আসনত এবছৰীয়া বয়ন প্ৰশিক্ষন লবলৈ অৰ্হতা সম্পন্ন অবিবাহিত যুবক -যুৱতী বা বিধবা মহিলাৰ পৰা ২০২২-২৩ বৰ্ষৰ পাঠ্যক্ৰমৰ বাবে আবেদন পত্ৰ আহ্বান কৰা হৈছে । আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ভাৰতীয় নাগৰিক হ'ব লাগিব।

| | | |
|---|---|---|
| ১) শিক্ষাগত অৰ্হতা | - | প্ৰাৰ্থীজন অতি কমেও অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব । |
| ২) বিষয় | - | ইংৰাজী ০১/০১/২০২২ তাৰিখে বয়স ১৫ বছৰৰ কম আৰু ২৫ বছৰৰ বেছি হব নালাগিব । অনুসুচিত জাতি/ অনুসুচিত জনজাতি, ভৈয়াম জনজাতি বসতিপূৰ্ণ অঞ্চল সমূহত অৱস্থিত প্ৰশিক্ষণ কেন্দ্ৰ বোৰত সেই গোষ্টীৰ প্ৰাৰ্থী সকলে অগ্ৰাধিকাৰ পাব । |

ইচ্ছুক প্ৰাৰ্থী সকলে বিভাগীয় Website ৰ লগতে নিজ নিজ জিলা/মহকুমাত অৱস্থিত "হস্তঁতাত প্ৰশিক্ষণ কেন্দ্ৰ" সমূহৰ পৰা আবেদন পত্ৰ সংগ্ৰহ কৰি আৱশ্যকীয় প্ৰমাণ পত্ৰসহ অহা ইংৰাজী ৩১/০১/২০২২ তাৰিখৰ ভিতৰত উক্ত প্ৰশিক্ষণ কেন্দ্ৰত জমা দিব লাগিব । উক্ত তাৰিখৰ পিছত কোনো আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব ।

প্ৰাৰ্থী সকলে সংশ্লিষ্ট "হস্তঁতাত প্ৰশিক্ষণ কেন্দ্ৰ"ৰ প্ৰাৰ্থী নিৰ্ববাচন কমিটিয়ে নিৰ্দ্ধাৰিণ কৰা সাক্ষাৎ কাৰত উপস্থিত থাকিব লাগিব । ইয়াৰ বাবদ কোনো ভ্ৰমন বানচ দিয়া নহ'ব ।

বিতং তথ্য জনাৰ বাবে জিলা আৰু মহকুমা সদৰত অৱস্তিত হস্তঁতাত আৰু বস্ত্ৰ শিল্প বিভাগৰ সহকাৰী সঞ্চালক/অধীক্ষকৰ কাৰ্য্যালয়ত নাইবা হস্তঁতাত প্ৰশিক্ষণ কেন্দ্ৰ সমূহত প্ৰাৰ্থীসকলে যোগাযোগ কৰিব পাৰে ।

সঞ্চালক,
হস্ততাঁত আৰু বস্ত্ৰশিল্প,অসম,
আমবাৰী, গুৱাহাটী - ১

GOVERNMENT OF ASSAM
DIRECTORATE OF HANDLOOM AND TEXTILES

NO.DHTG. 126/92/216

Dated Guwahati, the______/2022

## ADMISSION NOTICE

Applications in plain paper are invited interested unmarried persons for undergoing one year Artisan Course in Handloom Training Centres (HTCs ) of the State under the Directorate of Handloom & Textiles, Assam for the academic session 2022-23 .The applicant must be an Indian citizen and permanent resident of the State of Assam. The age of the applicant should not be less than 15 years and more than 25 years as on 01-01-2022. The minimum qualification is class VIII passed or above.

The application forms may be obtained from the official website and collected from the Handloom Training Centres (HTCs). It should be submitted to the Instructor of the respective Handloom Training Centres on or befores 31-01-2022.

The applicants shall have to appear before the selection committee as and when called for at their own expenses.

Detail information may be obtained from the Asstt. Director /Superintendent of Handloom & Textiles of the districts and Sub-Divisions.

Yours faithfully,

Director,
Handloom and Textiles, Assam,
Ambari, Guwahati-1.

## হস্ততাঁত আৰু বস্ত্ৰশিল্প প্ৰশিক্ষণ কেন্দ্ৰত নাম ভৰ্ত্তিৰ প্ৰ- পত্ৰ

(আৰ্টিজেন কৰ্চ)

ফটো

১) সমপূৰ্ণ নাম :-

২) স্থায়ী ঠিকনা :-

৩) পিতা / স্বামীৰ নাম, জীৱিকা :-

৪) অভিভাৱকৰ নাম, ঠিকনা :-
( যদি পিতৃ / স্বামী স্বৰ্গীয় হৈছে )

৫) ধৰ্ম্ম, ৰাষ্ট্ৰীয়তা :-

৬) জন্মৰ তাৰিখ :-

৭) বয়স (০১-০১-২০২২ তাৰিখত) :-

৮) অনুসূচীত জাতি / জনজাতি অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থী হলে কোন শ্ৰেণীৰ প্ৰমাণ-পত্ৰ লগত গাঠি দিব লাগিব । :-

৯) সাধাৰণ শিক্ষাগত অৰ্হতা :-

১০) সাধাৰণ শিক্ষা সমাপ্তি ঘটোৱা শিক্ষানুষ্ঠানৰ নাম :-

১১) বেঙ্ক একাউণ্ট নং, বেঙ্কৰ নাম আৰু আই,এফ,এচ,চি নং:-

১২) প্ৰাৰ্থীৰ যোগাযোগ নম্বৰ :-

ইয়াৰ দ্বাৰা মই ঘোষনা কৰো যে ওপৰত উল্লেখিত তথ্যসমূহ মোৰ জ্ঞান আৰু বিবেচনা মতে সত্য । উক্ত কোনো তথ্য যদি ভূল বা অসত্য হয় তেন্তে তাৰ বাবে মোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লব পাৰিব ।

(পিতা / স্বামী / অভিভাৱকৰ স্বাক্ষৰ আৰু তাৰিখ) (আবেদন কাৰীৰ স্বাক্ষৰ আৰু তাৰিখ)

বিদ্ৰ :- প্ৰযোজনীয় মূল প্ৰমাণ পত্ৰ সমূহৰ প্ৰত্যায়িত নকল আবেদনৰ পত্ৰ লগত গাঠি দিব লাগিব ।